জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩২/২০২১

# অ’ এন জি চিৰ অপহৃত কৰ্মচাৰী ৰিতুল শইকীয়াৰ গৃহলৈ গৈ পৰিয়ালক সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীয়ে

## অপহৃত কৰ্মচাৰীগৰাকীক নিৰাপদে ঘৰলৈ ঘূৰাই অনাৰ বাবে ৰাজ্য চৰকাৰে সকলোধৰণৰ প্ৰয়াস অব্যাহত ৰাখিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৮ মে’ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অ’ এন জি চিৰ অপহৃত কৰ্মচাৰী ৰিতুল শইকীয়াৰ যোৰহাট জিলাৰ তিতাবৰৰ বৰহোলাৰ নাঙলগাঁৱস্থিত গৃহলৈ গৈ পৰিয়ালবৰ্গক সাক্ষাৎ কৰে। সাক্ষাৎ কালত ৰিতুল শইকীয়াৰ পিতৃ-মাতৃ আৰু সহধৰ্মিনীৰ সৈতে বাৰ্তালাপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অপহৃত কৰ্মচাৰীগৰাকীক নিৰাপদে ঘৰলৈ ঘূৰাই অনাৰ বাবে ৰাজ্য চৰকাৰে সকলোধৰণৰ প্ৰয়াস অব্যাহত ৰাখিছে।

আজিৰ এই সাক্ষাৎ কালত সাংসদসকল ক্ৰমে কামাখ্যা প্ৰসাদ তাছা, পল্লৱ লোচন দাস আৰু তপন গগৈৰ লগতে স্থানীয় বিধায়ক ভাস্কৰজ্যোতি বৰুৱাও উপস্থিত থাকে।

ইয়াৰ পিছত সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ তথ্য অনুসৰি ৰিতুল শইকীয়া বৰ্তমান ভাৰত-ম্যানমাৰ সীমান্তত ম্যানমাৰৰ ভূমিত আছে। তেওঁ বৰ্তমান সুস্বাস্থ্যৰে আছে। তেওঁক সোঁ-শৰীৰে তথা নিৰাপদে ওভতাই অনাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়াস চলাই আছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। আলফাৰ যুদ্ধবিৰতিৰ সম্পৰ্কত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে যুদ্ধবিৰতিক এক ইতিবাচক দিশ বুলি বিবেচনা কৰিব পাৰি। আলফাৰ পৰা আনুষ্ঠানিকভাৱে যুদ্ধবিৰতিৰ প্ৰস্তাৱ আহিলে চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে যুদ্ধবিৰতিৰ পৰৱৰ্তী পৰ্যায়ত কোনসমূহ বিষয় আলোচনা কৰা উচিত আৰু আলোচনাৰ কোনখিনি কথা মানিব পাৰি অথবা নোৱাৰি সেই বিষয়সমূহ আহি পৰিব। আমাৰ সকলোৰে সীমাবদ্ধতাক সন্মান জনাই যদি আলোচনাৰ দুৱাৰ মুকলি কৰিব পৰা যায় তেতিয়া হ’লে জাতিটোৱে এক নতুন জীৱন লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। পৰেশ বৰুৱাক আলোচনাৰ মেজলৈ আহিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ মানুহে এই আলোচনা একান্তমনে কামনা কৰিছে। টিংৰাইৰ ঘটনা অথবা ৰিতুল শইকীয়াৰ দৰে ঘটনা সংঘটিত হোৱাটো অসমৰ জনসাধাৰণে কেতিয়াও নিবিচাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আলফাই চৰকাৰৰ লগত আলোচনা কৰি যুদ্ধবিৰতি ঘোষণা কৰা নাই। যুদ্ধবিৰতি আগুৱাই নিব লাগিলে গ্ৰাউণ্ড ৰুল প্ৰস্তুত কৰিব লাগিব। আলফাই গ্ৰাউণ্ড ৰুল প্ৰস্তুত কৰি আলোচনালৈ আহিব বিচাৰিলে চৰকাৰে আলোচনাৰ দুৱাৰ মুকলি ৰাখিব। যুদ্ধবিৰতি ঘোষণাত কিছু হ’লেও আশাৰ কিৰণ লুকাই আছে বুলি তেওঁ মন্তব্য কৰে।

**পুঃডেঃ**
**১৮/০৫/২০২১**